

৪.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রচাৰ মাধ্যমবোৰ হ'ল পৰিপূৰক আহিলা। ইয়াৰ জৰিয়তে শিক্ষকসকলে শিক্ষার্থীৰ একাধিক সংবেদী মাধ্যম সক্রিয়া কৰি তোলে যাতে তেওঁলোকৰ আগ্রহ বৃদ্ধি পায়, ধাৰণা স্পষ্ট হয় আৰু কল্পনাশক্তি সমৃদ্ধ হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ছপা মাধ্যম আৰু অনা-ছপা মাধ্যম।

৩ নং প্রশ্নৰ উত্তৰ ঃ বাতৰি-কাকতে দৈনিক ঘটা ঘটনাবোৰৰ সংবাদ পৰিৱেশন কৰে। কিন্তু আলোচনী এখনৰ প্রধান উদ্দেশ্য হ'ল পাঠকক বিভিন্ন বিষয়ৰ ওপৰত লিখা নির্বাচিত বাতৰি আৰু প্রৱন্ধৰ জৰিয়তে তথ্য প্রদান কৰা, নির্দেশনা দিয়া আৰু মনো�ৰঞ্জন কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক আৰু আধ্যাত্মিক প্রমূল্য গঢ় দিয়া, পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বার্তা প্রচাৰ কৰা, ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় বুজাপৰা বিকশাই তোলা আৰু মনোৰঞ্জনৰ উৎস হিচাপে কাম কৰা।

৫ নং প্রশ্নৰ উত্তৰ ঃ বিষয়বস্তু চিনাক্ত কৰা, জাননী জাৰি কৰা, অংশগ্রহণকাৰীক অনুপ্রেৰণা যোগোৱা আৰু অধ্যয়ন চক্র চলি থাকোতে প্রকাশিত বিৱৰণ বিতৰণ কৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ স্বাস্থ্য সজাগতা, বৃক্ষৰোপণ, বাগিছা পতা, জৈৱ-বৈচিত্র্যৰ সংৰক্ষণ ইত্যাদি।

৭ নং প্রশ্নৰ উত্তৰ ঃ কর্মশালা হ'ল শিক্ষা গ্রহণৰ আন্তঃক্রিয়াশীল ৰূপ। ইয়াত শিক্ষার্থীয়ে দলত বিভক্ত হৈ কোনো নির্দিষ্ট কার্য সমাধা কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্য নির্ধাৰণ কৰা, লক্ষ্য গোট বাছি লোৱা, আলোচনাৰ বিষয় বাছি লোৱা, এটা অনুগামী কার্য পৰিকল্পনা যুগুত কৰা।

৯ নং প্রশ্নৰ উত্তৰ ঃ একোটা কোঠাতে সংখ্যধিক প্রদর্শন সামগ্রী ৰাখিব নালাগে, প্রদর্শিত বস্তুবোৰ ভালদৰে পোহৰ পৰা স্থানত ৰাখিব লাগে, প্রদর্শনীৰ বিষয়বস্তু মাত্র এটা হ'ব লাগে আৰু লেবেলবোৰ চমু তথা সহজে বুজি পোৱা হ'ব লাগে।

১০ নং প্রশ্নৰ উত্তৰ ঃ প্রদর্শনীবোৰ হ'ল সংযোগৰ এটা ফলপ্রসূ মাধ্যম। ই সৃজনশীলতাৰ বিকাশ ঘটায়, শিক্ষার্থীয়ে অভিব্যক্তি প্রকাশৰ কলা শিকে, দলীয়ভাৱে কাম কৰাৰ মানসিকতাক উৎসাহিত কৰে আৰু প্রমূল্যবোধৰ জন্ম দিয়ে।

১১ নং প্রশ্নৰ উত্তৰ ঃ আর্হিয়ে বাস্তৱক সৰল কৰি তোলে, আগ্রহ বঢ়ায়, শুদ্ধ ধাৰণা গঠন কৰে আৰু আর্হি প্রস্তুতকৰণৰ ফলত সৃজনশীলতাৰ বিকাশ ঘটে।

১২ নং প্রশ্নৰ উত্তৰ ঃ দেখা, শুনা ।

১৩ নং প্রশ্নৰ উত্তৰ ঃ সংযোগ

১৪ নং প্রশ্নৰ উত্তৰ ঃ একমুখী

১৫ নং প্রশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠান প্রস্তুত কৰাটো এটা কমখৰছী প্রক্রিয়া, ই আনুষ্ঠানিক

আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ শিক্ষাৰ বাবে উপযুক্ত, মানুহৰ মাজত সজাগতা বিয়পায়, স্থানীয় ভাষাত অনুষ্ঠান প্ৰস্তুত কৰিব পাৰি আৰু অনুষ্ঠানবোৰৰ প্ৰয়োজন সাপেক্ষে পুনৰ প্ৰচাৰ কৰিব পাৰি।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষামূলক টেলিভিছন হ'ল এনে এটা পদ্ধতি যাৰ মাধ্যমেৰে কোনো এজেন্সীয়ে বিভিন্ন বিষয়ৰ ওপৰত শিক্ষামূলক অনুষ্ঠান প্ৰস্তুত আৰু সম্প্ৰচাৰ কৰে।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ ই দৰাচলতে এটা একমুখী সংযোগ, শিক্ষণ ব্যয় অধিক, ব্যক্তিগত মতপাৰ্থক্যৰ বিষয়ে বিবেচনা কৰা নহয়, পাঠবোৰ নমনীয় নহয় ইত্যাদি।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ বহুমুখী ।



৪.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্ৰচাৰ মাধ্যম বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ সামাজিক মাধ্যমৰ (Social media) প্ৰয়োজনীয়তা মানে কি?

প্ৰশ্ন ৩ঃ সামাজিক সচেতনতা বৃদ্ধিৰ বাবে অধ্যয়ন চক্ৰৰ আয়োজন কৰাটো কিয় প্ৰয়োজনীয়?

প্ৰশ্ন ৪ঃ শিক্ষামূলক টেলিভিছন মানে কি?

প্ৰশ্ন ৫ঃ শৈক্ষিক উদ্দেশ্যৰ বাবে ৰেডিঅ' কিয় প্ৰয়োজনীয়?

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ গণ-সজাগতা সৃষ্টিৰ মাধ্যম হিচাপে শিক্ষামূলক টেলিভিছনৰ সুবিধা আৰু সীমাৱদ্ধতাবোৰ কি কি?

প্ৰশ্ন ২ঃ প্ৰদৰ্শনী আয়োজন কৰাৰ পৰ্যায়ক্ৰমিক কাম-কাজবোৰ কেনেধৰণৰ? আলোচনা কৰক।

প্ৰশ্ন ৩ঃ এখন সমাজৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত শিক্ষামূলক কথাছবিয়ে কিয় সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে?

প্ৰশ্ন ৪ঃ ফলপ্ৰসূ শিক্ষণৰ বাবে আৰ্হিৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অধ্যয়ন চক্ৰ মানে কি? অধ্যায়ন চক্ৰ এখন আয়োজন কৰাৰ কৰ্মপৰ্যায়সমূহ চমুকৈ উল্লেখ কৰক। প্ৰচাৰ মাধ্যম হিচাপে অধ্যয়ন চক্ৰ এখনৰ সুবিধাবোৰ কি কি?

প্ৰশ্ন ২ঃ কৰ্মশালাৰ কাম-কাজবোৰ কি? পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্ৰচাৰৰ বাবে কৰ্মশালা উপযুক্ত মাধ্যম হয়নে?

প্ৰশ্ন ৩ঃ শ্ৰব্য অনুষ্ঠান এটা প্ৰস্তুত কৰাৰ কৰ্মপৰ্যায়সমূহ বা প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা কৰক। ৰেডিঅ' অনুষ্ঠান প্ৰচাৰৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰক।

প্ৰশ্ন ৪ঃ জনগণক শিক্ষিত কৰি তোলাৰ মাধ্যম হিচাপে টেলিভিছনৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***